# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 27-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

***::::::::::::::::::::::::::::::***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত পৰহিলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে। অৱশ্যে একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকীয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে ৭ দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে।

ইফালে ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলা উচ্ছেদ অভিযানৰ ফলত উচ্ছেদিত লোকসকলে আন কিছু অঞ্চলত আশ্ৰয় লোৱা বুলি প্ৰশাসনে লাভ কৰা তথ্যৰ ভিত্তিত মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰত বিষয়টোৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰে। উচ্ছেদিত লোকসকলৰ আন ঠাইত প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰথমবাৰৰ বাবে কৰা পক্ষী সমীক্ষাত ৪৩টা প্ৰজাতিৰ পক্ষীৰ তথ্য পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সমীক্ষাত কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে শব্দ বাণীবদ্ধ কৰা কিছু আহিলা স্থাপন কৰাৰ পাছত তাত বাণীবদ্ধ হোৱা শব্দসমূহ বিশ্লেষণ কৰা হয়। এই পদক্ষেপৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰি শ্ৰীমোদীয়ে দেশৰ জৈৱ বিচিত্ৰতাৰ আন্তৰ্জাতিক স্বীকৃতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এনে পদক্ষেপসমূহৰ সংবৰ্ধন হোৱা উচিত বুলি

মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাৰ অতুলনীয় সৌন্দৰ্যৰ কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় উদ্যানৰ বিপন্ন প্ৰজাতিৰ চৰাইৰ বাসস্থানৰ বিষয়ে উল্লেখ কৰে। তেওঁ প্ৰথমবাৰৰ চলোৱা এই তৃণভূমিৰ চৰাইৰ জৰীপৰ শলাগ লৈ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত অসমে গ্ৰহণ প্ৰচেষ্টা আৰু ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে উল্লেখ কৰে।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিজেপিৰ বুথসমূহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠান শুনাৰ ব্যৱস্থা কৰা হয়। মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে ডিব্ৰুগড়ৰ ১৫৮ নম্বৰ বুথত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মন কী বাত শ্ৰৱণ কৰে। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে ধেমাজিৰ নিমাতীচুক হৰিমন্দিৰ প্ৰাংগণত জনসাধাৰণৰ সৈতে মন কী বাতৰ আজিৰ খণ্ডটো শুনি আপ্লুত হোৱা বুলি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাত তৃণভূমি চৰাইৰ জৰীপত ৪৩টা প্ৰজাতিৰ বিশেষ পক্ষীৰ তথ্য লাভ কৰাৰ বিষয়টো প্ৰকাশ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰি ডাঃ পেগুৱে কয়, যে মন কী বাতত বিজ্ঞান, সংস্কৃতি, ইতিহাস, পৰিৱেশ, নাৰী সৱলীকৰণ আদিৰ দিশত পৰিলক্ষিত হোৱা ইতিবাচক বাৰ্তাই সকলোকে অনুপ্ৰাণিত কৰিছে।

শ্ৰীভূমি চহৰৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মন কী বাতৰ শ্ৰৱণ কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষ্ণেন্দু পাল, কৌশিক ৰায়, উত্তৰ কৰিমগঞ্জৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত বিশ্বনাথ জিলাত আৱণ্টন দিয়া গৃহসমূহৰ নিৰ্মাণ কাৰ্য অহা ৩০ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি এখন বৈঠকত নিৰ্দেশ দিয়ে। জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত বিভাগীয় বিষয়াসকলৰ লগতে অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, পৰ্যটন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ দিয়ে। তেঁও কয় যে জিলাখনত ৮৫ হাজাৰতকৈ অধিক গৃহৰ আৱণ্টন দিয়া হৈছিল আৰু ইয়াৰ ভিতৰত ৫০ হাজাৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। বাকী থকা গৃহসমূহৰ নিৰ্মাণকাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ শ্ৰীদাসে নিৰ্দেশ দিয়ে। তেঁও কয় যে জিলাখনৰ প্ৰায় ৯৫ হাজাৰ মহিলা মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ বাবে নিৰ্বাচিত হৈছে। তেওঁলোকক শীঘ্ৰে লাখপতি বাইদেউ হিচাপে ৰূপান্তৰ কৰাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। এই বৈঠকত বিধায়ক প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱাল আৰু জিলা আয়ুক্ত সীমান্ত দাসৰ উপৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত আছিল।

০০০

সমাপ্ত